**NSD NEWS BULLETIN**
**ALL INDIA RADIO, GUWAHATI**
**0000000000**

**Date :** 17-03-2025
**Time :** 1340 hrs

ASSAMESE MIDDAY BULLETIN

**HEADLINES**

**::::::::::::::::::::**

১। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি নতুন দিল্লীত নিউজিলেণ্ডৰ প্ৰধানমন্ত্ৰী ক্ৰিষ্ট'ফাৰ লাক্সনৰ সৈতে এখন গুৰুত্বপূৰ্ণ বৈঠকত ভাগ লৈছে। তেওঁৰ এই ৫ দিনীয়া ভ্ৰমণৰ সময়ছোৱাত দুয়োখন দেশৰ মাজত কেইবাখনো চুক্তি স্বাক্ষৰিত হ'ব।

২। মুম্বাইৰ সীমা শুল্ক বিভাগে মহানগৰীখনৰ আন্তঃৰাষ্ট্ৰীয় বিমান বন্দৰত অভিযান চলাই ১০ কিলোগ্ৰামতকৈও অধিক পৰিমাণৰ সোণ জব্দ কৰিছে।

৩। দেশৰ প্ৰথমটো বিস্তৃত শিহুৰ জৰীপত অসমৰ ৫ খন নদীৰ ৬৩৫টাকে ধৰি সমগ্ৰ দেশতে মুঠ ৬ হাজাৰ ৩২৭টা শিহুৰ অৱস্থিতি ধৰা পৰিছে।

৪। জ্যেষ্ঠ বিজেপি নেতা তথা প্ৰাক্তন কেন্দ্ৰীয় মন্ত্ৰী ড০ দেৱেন্দ্ৰ প্ৰধানৰ আজি পুৱা দেহাৱসান ঘটে।

*আৰু*

৫। আজি ইংলেণ্ডত আৰম্ভ হ'বলগীয়া কাবাডী বিশ্বকাপ ২০২৫ত ভাৰতৰ পুৰুষ দলটোৱে অভিযান আৰম্ভ কৰিব।

০০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি নতুন দিল্লীত নিউজিলেণ্ডৰ প্ৰধানমন্ত্ৰী ক্ৰিষ্টোফাৰ লাক্সনৰ সৈতে এখন গুৰুত্বপূৰ্ণ বৈঠকত অংশগ্ৰহণ কৰিছে। ভাৰত-নিউজিলেণ্ডৰ দ্বিপাক্ষিক সম্পৰ্কৰ বিভিন্ন প্ৰসংগই এই বৈঠকত স্থান লাভ কৰিছে। দুয়োগৰাকী নেতাৰ এই আলোচনাৰ পৰৱৰ্তী সময়ত কেইবাখনো চুক্তিত স্বাক্ষৰিত হব। প্ৰধানমন্ত্ৰী মোদীয়ে অভ্যাগত নেতাগৰাকীৰ সন্মানাৰ্থে আজি আয়োজন কৰা দুপৰীয়াৰ আহাৰ গ্ৰহণ কৰাৰ পাছত নিউজিলেণ্ডৰ প্ৰধানমন্ত্ৰী ক্ৰিষ্টোফাৰ লাক্সনে ৰাষ্ট্ৰপতি ভৱনত ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুক সাক্ষাৎ কৰিব।

ইয়াৰ পূৰ্বে নিউজিলেণ্ডৰ প্ৰধানমন্ত্ৰীগৰাকীয়ে ৰাজঘাটত উপস্থিত হৈ ৰাষ্ট্ৰপিতা মহাত্মা গান্ধীৰ প্ৰতি শ্ৰদ্ধাঞ্জলি নিবেদন কৰে। নেতাগৰাকীয়ে পৰহিলৈ মুম্বাই ভ্ৰমণ কৰিব। লাক্সনৰ এই ভ্ৰমণৰ লক্ষ্য হৈছে ভাৰত-নিউজিলেণ্ডৰ মাজৰ দ্বিপাক্ষিক সম্পৰ্কক অধিক শক্তিশালী কৰা। পাঁচদিনীয়া ভাৰত ভ্ৰমণসূচীৰে নেতাগৰাকী কালি নতুন দিল্লীত উপস্থিত হয়। এই ভ্ৰমণকালত দেশখনৰ একাধিক মন্ত্ৰী, জ্যেষ্ঠ বিষয়া, ব্যৱসায়ী, সংবাদকৰ্মীকে ধৰি এটা উচ্চ পৰ্যায়ৰ প্ৰতিনিধি দলে তেওঁক সংগ দিছে।

০০০০০০

আমেৰিকা যুক্তৰাষ্ট্ৰৰ ড'নাল্ড ট্ৰাম্প চৰকাৰে দেশখনত পাকিস্তান, আফগানিস্তান আৰু ৰাছিয়াকে ধৰি ৪৩ খন দেশৰ লোকৰ প্ৰৱেশৰ ক্ষেত্ৰত নিষেধাজ্ঞা আৰোপ কৰাৰ প্ৰস্তুতি চলাইছে। নিৰাপত্তা বিষয়াসকলৰ পৰামৰ্শৰ ভিত্তিত ইতিমধ্যে এখন খচৰা তালিকা সাজু কৰি উলিওৱা হৈছে, য'ত দেশসমূহক ৰেড, অৰেঞ্জ আৰু য়েল্লো এই তিনিটা শাখাত বিভক্ত কৰা হৈছে। তালিকাৰ ৰেড শাখাত অন্তৰ্ভুক্ত হোৱা দেশৰ লোকসকলক আমেৰিকাত প্ৰৱেশৰ ক্ষেত্ৰত সম্পূৰ্ণ নিষেধাজ্ঞা আৰোপ কৰা হ'ব আৰু সেই লোকসকলৰ ভিছাও প্ৰত্যাহ্বাৰ কৰা হ'ব পাৰে। আফগানিস্তান, ভূটান, কিউবা, ইৰাণ, লিবিয়া, উত্তৰ কোৰিয়া, ছোমালিয়া, ছুডান, ছিৰিয়া, ভেনেজুৱেলা আৰু য়েমেনক এই তালিকাত ৰখা হৈছে। অৰেঞ্জ তালিকাত পাকিস্তান আৰু ৰাছিয়াৰ উপৰি ম্যানমাৰ, বেলাৰুছ, হাইটি, লাওছ, এৰিট্ৰিয়া, ছিয়েৰা লিয়ন, দক্ষিণ ছুডান, তুৰ্কমেনিস্তান আছে। আনহাতে য়েল্লো শাখাত অংগোলা, ভেনিন, কেমেৰুন, ডমিনিকা, মালি, গিনি, জিম্বাব'ৱেকে ধৰি ২২ খন দেশক অন্তৰ্ভুক্ত কৰা হৈছে। এই দেশকেইখনৰ নাগৰিকে তেওঁলোকক বান্ধি দিয়া নিৰ্দিষ্ট চৰ্তসমূহ পূৰণ কৰিব নোৱাৰিলে তেওঁলোকক অৰেঞ্জ বা ৰেড তালিকাত অন্তৰ্ভুক্ত কৰা সম্ভাৱনা থকাৰ কথাও প্ৰকাশ কৰা হৈছে।

০০০০০০

আকাশবাণীৰ বাতৰি সেৱা বিভাগৰ দ্বিভাষিক ফোন ইন অনুষ্ঠান পাব্লিক স্পীকত আজি নিশা চাৰে ৯ বজাত **জন্মগত সমস্যা আৰু আনুষংগিক বিষয়** সন্দৰ্ভত নতুন দিল্লীস্থিত এইমছৰ শিশু অস্ত্ৰোপচাৰ বিভাগৰ অধ্যাপক ডাঃ প্ৰবোধ গোৱেল আৰু নতুন দিল্লীৰ স্বামী দয়ানন্দ হাস্পতালৰ শিশু আৰু নৱজাতক চিকিৎসা বিভাগৰ মুৰব্বী ডাঃ সুৰিন্দৰ সিং বিষ্টৰ সৈতে বিশেষ আলোচনা প্ৰচাৰ কৰা হ'ব। আগ্ৰহী শ্ৰোতাসকলে অনুষ্ঠান চলি থকাৰ সময়ত ০১১-২৩৪২ ১০৫০ আৰু ০১১ ২৩৩১ ৪৪৪৪ নম্বৰত ফোন কৰি কিদৰে নৱজাতকৰ জন্মগত সমস্যা চিনাক্ত কৰি চিকিৎসাব ব্যৱস্থা কৰিব পাৰি সেই সন্দৰ্ভত সমল ব্যক্তিসকলক প্ৰশ্ন সুধিব পাৰিব। শ্ৰোতাসকলে ৱাটছএপ যোগে ৯২৮৯০ ৯৪০৪৪ নম্বৰলৈও প্ৰশ্ন প্ৰেৰণ কৰিব পাৰিব।

০০০০০০

মুম্বাইৰ সীমা শুল্ক বিভাগে মহানগৰীখনৰ আন্তঃৰাষ্ট্ৰীয় বিমান বন্দৰত অভিযান চলাই ১০ কিলোগ্ৰামতকৈও অধিক পৰিমাণৰ সোণ জব্দ কৰিছে। বিমান বন্দৰটোৰ চাৰি ঠাইত সুকীয়াকৈ অভিযান চলাই ৮ কোটি ৪৭ লাখ টকা মূল্যৰ এই সোণখিনি জব্দ কৰাৰ লগতে অভিযানকাৰী দলটোৱে ৫ জন লোকক গ্ৰেপ্তাৰ কৰে। বিভাগীয় বিষয়াসকলে আজি জানিবলৈ দিয়া মতে গ্ৰেপ্তাৰ কৰা লোককেইজনৰ মাজত তিনিজন ব্যক্তিগত খণ্ডৰ বিমান বন্দৰৰ কৰ্মচাৰীও আছে। যোৱা ১৩ মাৰ্চৰ পৰা ১৫ মাৰ্চৰ ভিতৰত চলোৱা এই অভিযানৰ সময়ছোৱাত অভিযুক্ত লোককেইজনে পৰিধান কৰা কাপোৰৰ মাজৰ পৰা আৰু বিমান পৰা নমাই অনা আৱৰ্জনাৰ মাজৰ পৰা এই বৃহৎ পৰিমাণৰ সোণ জব্দ কৰা হয় বুলি তেওঁলোকে জানিবলৈ দিয়ে। এই সন্দৰ্ভত বিভাগীয় অনুসন্ধান এতিয়াও অব্যাহত আছে।

০০০০০০

আমেৰিকাৰ ৰাষ্ট্ৰপতি ড'নাল্ড ট্ৰাম্পে দেশখনৰ এগৰাকী জনপ্ৰিয় জনপ্ৰিয় প'ডকাষ্টাৰৰ সৈতে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ মত বিনিময়ৰ এটা অনুষ্ঠান সামাজিক

মাধ্যমৰ নিজস্ব মঞ্চৰ জৰিয়তে প্ৰচাৰ কৰিছে। আমেৰিকা যুক্তৰাষ্ট্ৰৰ জনপ্ৰিয় প'ডকাষ্টাৰ আৰু কম্পিউটাৰ বিজ্ঞানী লেক্স ফ্ৰিডমেনৰ সৈতে হোৱা মত বিনিময় অনুষ্ঠানটোত প্ৰধানমন্ত্ৰী মোদীয়ে প্ৰকাশ কৰা মন্তব্যক মাৰ্কিন ৰাষ্ট্ৰপতিগৰাকীয়ে তেওঁৰ **ট্ৰুথ ছ'চিয়েল** শীৰ্ষক মঞ্চত স্থান দিছে। এই সাক্ষাতকাৰৰ সময়ত শ্ৰীমোদীয়ে ৰাষ্ট্ৰপতিগৰাকীৰ উদ্যমী মনোভাৱ তথা আমেৰিকাৰ প্ৰতি থকা নিষ্ঠাৰ শলাগ লৈ ট্ৰাম্পৰ সৈতে থকা তেওঁৰ সম্পৰ্কৰ বিষয়ে উল্লেখ কৰিছিল। নিজৰ প্ৰথমটো কাৰ্যকালৰ তুলনাত ডনাল্ড ট্ৰাম্প এইবাৰ অধিক প্ৰস্তুতিৰে সৈতে ৰাষ্ট্ৰপতিৰ আসনত উপবিষ্ট হোৱা বুলিও তেওঁ মত প্ৰকাশ কৰিছিল। ৩ ঘণ্টাৰো অধিক সময়জোৰা এই শ্ৰীমোদীৰ এই প'ডকাষ্টত ভালেমান বিষয়ে স্থান লাভ কৰিছিল।

প'ডকাষ্টাৰগৰাকীক দিয়া সাক্ষাতকাৰত প্ৰধানমন্ত্ৰী মোদীয়ে কয় যে পাকিস্তানৰ সৈতে শান্তিপূৰ্ণ সম্পৰ্ক গঢ়িবলৈ কৰা প্ৰতিটো প্ৰচেষ্টাত ভাৰত শত্ৰুতা আৰু বিশ্বাসঘাতকতাৰ সন্মুখীন হৈছে। তেওঁ কয়, যে দুয়োখন দেশে নতুন পথ বিচাৰি পোৱাৰ আশাতেই ২০১৪ চনত পাকিস্তানৰ তৎকালীন প্ৰধানমন্ত্ৰী নৱাজ শ্বৰীফক তেওঁৰ শপত গ্ৰহণ অনুষ্ঠানৰ বাবে বিশেষভাৱে আমন্ত্ৰণ জনোৱা হৈছিল। সন্ত্ৰাসবাদক লালন-পালন কৰাত পাকিস্তানৰ দীৰ্ঘদিনীয়া ভূমিকাক কটাক্ষ কৰি প্ৰধানমন্ত্ৰীয়ে কয় যে সন্ত্ৰাসবাদৰ শিপা ক'ত সেই বিষয়ে বিশ্বৰ আৰু সন্দেহ নাই। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে জোৰ দি কয় যে ভাৰত নিৰপেক্ষ নহয় বৰঞ্চ শান্তিৰ প্ৰতি দৃঢ় প্ৰতিজ্ঞাবদ্ধ। প্ৰধানমন্ত্ৰীগৰাকীয়ে লগতে কয় যে ভাৰতে যেতিয়াই শান্তিৰ কথা কয় তেতিয়াই সমগ্ৰ বিশ্বই শুনি থাকে কাৰণ ভাৰত হৈছে গৌতম বুদ্ধ আৰু মহাত্মা গান্ধীৰ দেশ। প্ৰধানমন্ত্ৰী মোদীয়ে কয় যে ভাৰতীয়সকলে সমন্বয়ক সমৰ্থন কৰে আৰু শান্তিৰ পক্ষ গ্ৰহণ কৰে।

ৰাছিয়া-ইউক্ৰেইনৰ যুদ্ধ সন্দৰ্ভত সোধা এটা প্ৰশ্নৰ উত্তৰত প্ৰধানমন্ত্ৰীগৰাকীয়ে কয়, যে দুয়োখন ৰাষ্ট্ৰ আলোচনাৰ মেজলৈ আহিলেহে সংঘাতৰ সমাধান ওলাব। তেওঁ লগতে কয়, যে বৰ্তমানৰ পৰিস্থিতিয়ে ৰাছিয়া আৰু ইউক্ৰেইনৰ মাজত অৰ্থপূৰ্ণ আলোচনাৰ সুযোগ প্ৰদান কৰিছে। ভাৰত-চীনৰ সম্পৰ্ক সন্দৰ্ভত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কয়, যে দুয়োখন দেশৰে প্ৰাচীন সংস্কৃতি আৰু সভ্যতা আছে আৰু দেশ দুখনৰ সম্পৰ্ক নতুন নহয়। তেওঁ কয়, যে কোনোবা নহয় কোনোবা প্ৰকাৰে ভাৰত আৰু চীনে মিলি বিশ্বৰ মংগলৰ ক্ষেত্ৰত অৰিহণা যোগাই আহিছে। তেওঁ লগতে কয় যে পূৰ্বৰ শতিকাবোৰত ভাৰত আৰু চীনৰ মাজত সংঘাতৰ ইতিহাস নাই। ভৱিষ্যতেও ভাৰত আৰু চীনৰ মাজত সুদৃঢ় সম্পৰ্ক অব্যাহত থাকিব লাগে বুলি তেওঁ মন্তব্য আগবঢ়ায়।

কৃত্ৰিম বুদ্ধিমত্তাৰ সন্দৰ্ভত তেওঁ কয়, যে এই ক্ষেত্ৰখনত বিশ্ব যিমানেই আগবাঢ়ি নাযাওক কিয়, ভাৰত অবিহনে ই অসম্পূৰ্ণ হৈয়েই ৰ'ব। ভাৰতে কৃত্ৰিম বুদ্ধিমত্তাৰ বিকাশত উল্লেখযোগ্য অৱদান আগবঢ়াইছে বুলিও তেওঁ মত প্ৰকাশ কৰে।

০০০০০০

দেশৰ প্ৰথমটো বিস্তৃত শিহুৰ জৰীপত সমগ্ৰ দেশতে মুঠ ৬ হাজাৰ ৩২৭টা শিহু অৱস্থিতিৰ অনুমান কৰা হৈছে। শেহতীয়াকৈ গুজৰাটৰ জুনাগড়ত ৰাষ্ট্ৰীয় বন্যপ্ৰাণী পৰিষদৰ সপ্তম বৈঠকত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে প্ৰকাশ কৰা প্ৰতিবেদন অনুসৰি নদী ডলফিন হিচাপে জনাজাত শিহুৰ ৬৩৫টাৰ অৱস্থিতি অসমৰ ৫ খন নদীত দেখিবলৈ পোৱা গৈছে। এই সমীক্ষা অনুসৰি অসম, এইবিধ বিলুপ্তপ্ৰায় প্ৰাণীৰ অন্যতম মূল সংৰক্ষণ ক্ষেত্ৰ হিচাপে পৰিগণিত হৈছে আৰু ব্ৰহ্মপুত্ৰত ইয়াৰ অৱস্থিতি সুস্থিৰ তথা নিৰাপদ। প্ৰজেক্ট ডলফিনৰ অধীনত কৰা এই সমীক্ষাত অসমৰ নদী ব্যৱস্থা লক্ষ্যভিত্তিত সংৰক্ষণ প্ৰচেষ্টাৰ প্ৰয়োজনীয়তাৰ ওপৰত আলোকপাত কৰা হৈছে।

০০০০০০

জ্যেষ্ঠ বিজেপি নেতা তথা প্ৰাক্তন কেন্দ্ৰীয় মন্ত্ৰী ড০ দেৱেন্দ্ৰ প্ৰধানৰ আজি পুৱা নতুন দিল্লীত দেহাৱসান ঘটে। তেওঁৰ বয়স হৈছিল ৮৪ বছৰ। ৰাষ্ট্ৰীয় স্বয়ং সেৱক সংঘ আৰ এছ এছৰ আজীৱন সদস্য ড০ প্ৰধানে ইহ সংসাৰত পুত্ৰ তথা কেন্দ্ৰীয় শিক্ষামন্ত্ৰী ধৰ্মেন্দ্ৰ প্ৰধান আৰু পত্নীকে ধৰি আত্মীয়-স্বজনক এৰি থৈ যায়। ১৯৮০ চনত এগৰাকী মণ্ডল সভাপতি হিচাপে ভাৰতীয় জনতা পাৰ্টিত যোগদান কৰাৰ পাছত ১৯৯৮ আৰু ১৯৯৯ চনত তেওঁ একেৰাহে ওড়িশাৰ দেওগড় লোকসভা সমষ্টিৰ পৰা সাংসদ হিচাপে নিৰ্বাচিত হয়। প্ৰথমবাৰৰ বাবে লোকসভালৈ নিৰ্বাচিত হৈয়ে অটল বিহাৰী বাজপেয়ী মন্ত্ৰীসভাত তেওঁ স্থল পৰিবহণ দপ্তৰৰ ৰাজ্য মন্ত্ৰী হিচাপে দায়িত্ব গ্ৰহণ কৰে। পৰৱৰ্তী সময়ত ১৯৯৯ চনৰ পৰা ২০০১ চনলৈ বাজপেয়ী মন্ত্ৰীসভাত স্থল পৰিবহণ আৰু কৃষি দপ্তৰৰ ৰাজ্য মন্ত্ৰী হিচাপে কাৰ্যনিৰ্বাহ কৰা ড০ প্ৰধান ২০০১ চনত বিজেপিৰ ৰাষ্ট্ৰীয় উপ-সভাপতি হিচাপে নিৰ্বাচিত হয়। তেওঁৰ বিয়োগত ওড়িশাৰ মুখ্যমন্ত্ৰী মোহন চৰণ মাঝিকে ধৰি বহুকেইগৰাকী নেতাই শোক প্ৰকাশ কৰিছে।

০০০০০০

ভাৰতৰ মুখ্য ন্যায়াধীশ সঞ্জীৱ খান্নাই কলকাতা উচ্চ ন্যায়ালয়ৰ ন্যায়াধীশ জয়মাল্য বাগচিক আজি উচ্চতম ন্যায়ালয়ৰ এগৰাকী ন্যায়াধীশ হিচাপে শপতবাক্য পাঠ কৰোৱায়। উচ্চতম ন্যায়ালয়ৰ আন ন্যায়াধীশসকলৰ উপস্থিতিত সৰ্বোচ্চ ন্যায়ালয়খনৰ চৌহদত আজি এই শপত গ্ৰহণ অনুষ্ঠান সম্পন্ন হয়। ন্যায়াধীশ বাগচিৰ নিযুক্তিৰ লগে লগে উচ্চতম ন্যায়ালয়ৰ বাবে নিৰ্দিষ্ট ন্যায়াধীশৰ ৩৪টা পদৰ বিপৰীতে বৰ্তমানলৈ ৩৩ গৰাকী ন্যায়াধীশক নিযুক্তি দিয়া হ'ল। নতুনকৈ নিযুক্তি লাভ কৰা ন্যায়াধীশগৰাকীয়ে ৬ বছৰতকৈও অধিক কাল দেশৰ সৰ্বোচ্চ ন্যায়ালয়খনত সেৱা আগবঢ়াব পাৰিব। এই কাৰ্যকালৰ ভিতৰত তেওঁ দেশৰ মুখ্য ন্যায়াধীশ হিচাপেও কাৰ্যনিৰ্বাহ কৰাৰ সম্ভাৱনা প্ৰকাশ পাইছে।

০০০০০০

ইংলেণ্ডত আজি আৰম্ভ হ'বলগীয়া কাবাডী বিশ্বকাপ ২০২৫ প্ৰতিযোগিতাত ভাৰতৰ পুৰুষৰ দলটো আজি নিজৰ প্ৰথমখন খেলত ইটালীৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। খেলখন উলভাৰহেম্পটনত ভাৰতীয় সময় অনুসৰি সন্ধিয়া চাৰে পাঁচ বজাত আৰম্ভ হ'ব|

সাদিনীয়া এই প্ৰতিযোগিতাত ৬০ খনতকৈও অধিক খেল অনুষ্ঠিত হ'ব। পুৰুষ শাখাৰ প্ৰতিযোগিতাৰ বাবে ১০টা দলক গ্ৰুপ-এ আৰু গ্ৰুপ-বি হিচাপে বিভক্ত কৰি দিয়া হৈছে। ভাৰতীয় দলটোৱে ইটালী, স্কটলেণ্ড, ৱেলছ আৰু চীনৰ সৈতে গ্ৰুপ বিত প্ৰতিদ্বন্দ্বিতা কৰিব। আনহাতে, মহিলা শাখাত মুঠ ছটা দলে অংশগ্ৰহণ কৰিব। ভাৰতৰ মহিলা দলটোৱে গ্ৰুপ ডিত ৱেলছ আৰু পোলেণ্ডৰ সৈতে প্ৰতিদ্বন্দ্বিতা কৰিব।

কাবাডী বিশ্বকাপৰ এয়া হৈছে দ্বিতীয় সংস্কৰণ। ২০১৯ চনত মালয়েছিয়াই আয়োজন কৰা প্ৰথম সংস্কৰণত ভাৰতে পুৰুষ আৰু মহিলা উভয় শাখাতে বিজয়ী মুকুট লাভ কৰিছিল। উল্লেখযোগ্য যে এছিয়াৰ বাহিৰত এইবাৰ প্ৰথমবাৰৰ বাবে কাবাডী বিশ্বকাপ আয়োজন কৰা হৈছে।

০০০০০০

**সমাপ্ত**